অসম বিধান সভা
উত্তৰদানৰ তাৰিখ-০৮/০৭/২০২৬
তৰাবিহীন প্ৰশ্ননং- ১২৭
*বিষয়ঃ* **কাঁইটিয়া তাঁৰৰ ব্যৱস্থা**
ডাঃ আচিফ মঃ নাজাৰ ঃ

**মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) **অসম বাংলাদেশ সীমান্তত এতিয়াওঁ কিমান খিনি ঠাই উন্মুক্ত হৈ আছে** ?

(খ) **উন্মুক্ত অঞ্চলসমূহত কাঁইটিয়া তাঁৰৰ বেৰ কেতিয়া দিয়া হ'ব** ?

**<u>উত্তৰ</u>**

**সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব।**

(ক) অসম বাংলাদেশ সীমান্তৰ মুঠ ৩৮.৯৫৯ কি.মি. দৈৰ্ঘ্যত কাঁইটিয়া তাঁৰৰ বেৰ দিব পৰা নাই। ইয়াৰে ৩৪.৬০৯ কি.মি দৈৰ্ঘ্য নদী অঞ্চল হোৱা বাবে আৰু শ্ৰীভূমি জিলাৰ কুছিয়াৰা নদীৰ পাৰত ভাৰতীয় মানুহৰ বসতি থকা ৪.৩৫ কি.মি. দৈৰ্ঘ্য Border Guard Bangladesh (BGB) ৰ আপত্তিৰ বাবে কাইটীয়া তাঁৰৰ বেৰ দিব পৰা নাই।

(খ) **ভাৰত বাংলাদেশ সীমা সম্পূৰ্ণৰূপে ছীল কৰাৰ-ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ। ভাৰত চৰকাৰৰ উপলব্ধ তথ্য অনুসৰি, উন্মুক্ত নদী অঞ্চল সমূহত** Border Security Force (BSF)-**এ উন্নত প্ৰযুক্তিৰ দ্বাৰা যেনে** Comprehensive Integrated Border Management System (CIBMS) **আৰু** BSF **ৰ** Water Wing **ৰ যন্ত্ৰ চালিত নৌকাৰ দ্বাৰা নিয়মীয়া টহল চলাই আহিছে।**

**বিঃদ্ৰঃ** – উত্তৰ NeVA portal https://cms.neva.gov.in/ ত আপলোড কৰা হৈছে ।

**********